**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-04-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## Headlines

১। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কেৰেলাৰ আলাঠুৰ সংৰক্ষিত সংসদীয় সমষ্টিত এখন জনসভাত ভাগ লয়।

২। কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ নেতা অমিত শ্বাহে আজি ইম্ফলত দলৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব।

৩। জলবায়ু পৰিৱৰ্তনৰ প্ৰত্যাহ্বান আৰু ঋণগ্ৰস্ত দেশসমূহলৈ সাহায্য প্ৰদান এই দুই বিষয় লৈ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি আৰু বিশ্ব বেংকৰ যুটীয়া সভাখন অহা বুধবাৰে ৱাশ্বিংটনত অনুষ্ঠিত হ'ব।

৪। জম্মু-কাশ্মীৰৰ দক্ষিণ কাশ্মীৰ হিমালয় ক্ষেত্ৰৰ শ্ৰী অমৰনাথ জীৰ বাৰ্ষিক যাত্ৰা অহা ২৯ জুনৰ পৰা আৰম্ভ হ'ব।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইত হ'বলগীয়া খেলত ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰ, ছানৰাইজাৰ্চ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

কেৰালাত অহা ২৬ এপ্ৰিলত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মুখ্য ৰাজনৈতিক দলসমূহৰ নেতাসকলে নিৰ্বাচনী প্ৰচাৰত ভাগ লোৱা পৰিলক্ষিত হৈছে। বিজেপিৰ নিৰ্বাচনী প্ৰচাৰৰ বাবে জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী যোৱা নিশা কেৰালাৰ কোচিত উপস্থিত হয়। প্ৰধানমন্ত্ৰীয়ে আজি পুৱা আলাঠুৰ সংৰক্ষিত সংসদীয় সমষ্টিৰ এন ডি এৰ প্ৰাৰ্থী ড০ টি এন ছাৰাচুৰৰ সমৰ্থনত চিৰুবাট্টানীত এখন জনসভাত ভাগ লয়। ইয়াৰ পাছত তেওঁ আট্টিংগলত দলৰ প্ৰাৰ্থী তথা বিদেশ পৰিক্ৰমা বিভাগৰ ৰাজ্যমন্ত্ৰী ভি মুৰুলীধৰণৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব। বিয়লিৰ ভাগত তেওঁ নতুন দিল্লীলৈ উভতি যাব। কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙেও অহা বৃহস্পতিবাৰে কেৰালাত প্ৰচাৰ অভিযানত অংশ ল'ব।

ইফালে কংগ্ৰেছ নেতা তথা ৱায়ানাড লোকসভা সমষ্টিৰ প্ৰাৰ্থী ৰাহুল গান্ধীয়ে আজি আৰু কাইলৈ কেৰালাত প্ৰচাৰ অভিযান চলাব। কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে আৰু সাধাৰণ সচিব প্ৰিয়ংকা গান্ধীয়ে ক্ৰমে ২০ আৰু ২২ এপ্ৰিলত ৰাজ্যখনত নিৰ্বাচনী প্ৰচাৰত অংশ ল'ব। চি পি আই এমৰ সাধাৰণ সচিব সীতাৰাম য়েচুৰীয়ে আজি কাছাৰগড় আৰু কন্নুৰ সমষ্টিত প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰিব।

০০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে আজি ইম্ফলত দলৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব। শ্ৰী শ্বাহে এদিনীয়া মণিপুৰ ভ্ৰমণসূচীলৈ আজি বিয়লি ত্ৰিপুৰাৰ পৰা ইম্ফলত উপস্থিত হ'ব। তেওঁ

মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেন সিং, বিজেপিৰ মণিপুৰৰ ৰাজ্যিক সভাপতি আৰু আন আন নেতাসহ ইম্ফলত এখন জনসভাত অংশগ্ৰহণ কৰিব।

বিজেপিয়ে অন্তঃমণিপুৰ সংসদীয় সমষ্টিত দলীয় প্ৰাৰ্থী হিচাপে থওনাওজাম বসন্তকুমাৰক আৰু বহিঃ মণিপুৰ সংসদীয় সমষ্টিত নাগা পিপলছ ফ্ৰণ্ট– এন পি এফৰ প্ৰাৰ্থীক সমৰ্থন কৰিছে। কংগ্ৰেছ আৰু তেওঁলোকৰ সমৰ্থক দলসমূহেও অন্তঃমণিপুৰ সংসদীয় সমষ্টিৰ আংগমছা বিমল আকৈজামৰ হৈ প্ৰচাৰ চলাইছে। কংগ্ৰেছ দলে কালি ৰাজ্যখনত  চাৰিখন নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত কৰে আৰু ৰাজ্যখনত চলি থকা জাতীয় সংকটৰ সমাধান কৰিব বুলি ঘোষণা কৰে।

০০০০০০০

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে অসমতো বিভিন্ন ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। দলসমূহে শীৰ্ষ নেতৃত্ব আৰু তাৰকা প্ৰচাৰকৰ উপস্থিতিত সমষ্টিসমূহৰ ঠায়ে ঠায়ে জনসমাবেশ, মটৰ চাইকেল সমদল, ৰোড শ্ব' আদি অনুষ্ঠিত কৰিও প্ৰচাৰ চলাইছে। তদুপৰি বিভিন্ন অঞ্চললৈ গৈ ভোটদাতা ৰাইজৰ সৈতে মত বিনিময় কৰি প্ৰাৰ্থীসকলে তেওঁলোকৰ মন জয় কৰাৰ চেষ্টা চলাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৭ এপ্ৰিলত  বৰপেটা আৰু দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ প্ৰাৰ্থী দুগৰাকীৰ হৈ নলবাৰীত নিৰ্বাচনী প্ৰচাৰত অংশ লোৱাৰ কথা।

ইপিনে  ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালে আজি মাকোমত কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। শ্ৰীসোণোৱালে বিয়লিৰ ভাগত ডিগবৈৰ বৰবিল হনুমান মন্দিৰৰ পৰা গান্ধী ময়দানলৈ এটা পদযাত্ৰাতো অংশ ল'ব। বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাজিৰঙা লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাৰ হৈ আজি হোজাইৰ লামডিঙত এখন জনসভাত অংশগ্ৰহণ কৰাৰ কথা।

০০০০০০০

দেশৰ লোকসভা নিৰ্বাচনৰ ৭৫ বছৰীয়া ইতিহাসত ভাৰতীয় নিৰ্বাচন আয়োগে সৰ্বাধিক ধন জব্দ কৰিছে। সমাগত লোকসভা নিৰ্বাচনৰ পূৰ্বে আয়োগে যোৱা ১ মাৰ্চৰ পৰা প্ৰতি দিনে এশ কোটি টকাকৈ জব্দ কৰিছে। আয়োগে এতিয়ালৈকে জব্দ কৰা ধনৰ পৰিমাণ চাৰি হাজাৰ ৬৫০ কোটি টকা। এই পৰিমাণ ২০১৯ চনৰ লোকসভা নিৰ্বাচনত জব্দ কৰা মুঠ ধনতকৈও অধিক । আয়োগে প্ৰকাশ কৰা মতে অবৈধ ধনৰ বিৰুদ্ধে আয়োগৰ স্থিতি পৰৱৰ্তী সময়তো কঠোৰ হৈ থাকিব আৰু অভিযান অব্যাহত থাকিব।

০০০০০০০

জলবায়ু পৰিৱৰ্তনৰ প্ৰত্যাহ্বান আৰু ঋণগ্ৰস্ত দেশসমূহলৈ সাহায্য প্ৰদান এই দুই বিষয়ক লৈ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি অৰ্থাৎ আই এম এফ আৰু বিশ্ব বেংকৰ যুটীয়া সভাখন অহা বুধবাৰে ৱাশ্বিংটনত অনুষ্ঠিত হ'ব। আই এম এফৰ দ্বাৰা প্ৰকাশিত ৱাৰ্ল্ড ইকন'মিক আউটলুক শীৰ্ষক জাৰ্নেলখন উন্মোচনেৰে এই সভা আৰম্ভ হয়। গোলকীয় অৰ্থনীতিৰ সাম্প্ৰতিক পৰিস্থিতি পৰ্যৱেক্ষণৰ উদ্দেশ্যে এই সভাত বিভিন্ন দেশৰ বিত্ত আৰু উন্নয়ন দপ্তৰৰ মন্ত্ৰী, শিক্ষাবিদ আৰু ব্যক্তিগত খণ্ড তথা নাগৰিক সমাজৰ প্ৰতিনিধিবৰ্গ উপস্থিত থাকিব। উল্লেখযোগ্য যে চলিত বৰ্ষত আই এম এফ আৰু বিশ্ব বেংক উভয়ে ৮০ সংখ্যক বৰ্ষপূৰ্তি পালন কৰিব।

০০০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আজি নাগপুৰৰ নেচনেল একাডেমী অব টেক্সেছত অনুষ্ঠিত হ'বলগীয়া ভাৰতীয় ৰাজহ সেৱা চমুকৈ আই আৰ এছ্‌ৰ ৭৬ সংখ্যক বেটছৰ সামৰণি অনুষ্ঠানত উপস্থিত থাকিব। এই অনুষ্ঠানত আই আৰ এছ্‌ৰ এই বেটছটোত ৫৬ জন ভাৰতীয় ৰাজহ সেৱা বিষয়া আৰু দুজন ৰয়েল ভূটান সেৱাৰ বিষয়া আছে। এই আই আৰ এছ্‌ বিষয়াসকলক কেন্দ্ৰীয় অসামৰিক সেৱা আয়োগৰ পৰীক্ষাৰ জড়িয়তে বাচনি কৰা হৈছিল। উল্লেখযোগ্য যে নাগপুৰস্থিত এন এ ডি টি হৈছে ভাৰতীয় কৰ বিভাগ বিষয়া আৰু ভাৰতীয় ৰাজহ সেৱা বিষয়াসকলৰ প্ৰশিক্ষণৰ এটা উল্লেখযোগ্য প্ৰশিক্ষণ কেন্দ্ৰ। এন এ ডি টিত ১৬ মহীয়া প্ৰশিক্ষণ প্ৰদানৰ অন্তত আই আৰ এছ্‌ বিষয়াসকলক নিযুক্তি দিয়া হ'ব।

ooooooo

জম্মু-কাশ্মীৰৰ দক্ষিণ কাশ্মীৰ হিমালয় ক্ষেত্ৰৰ শ্ৰী অমৰনাথ জীৰ বাৰ্ষিক যাত্ৰা অহা ২৯ জুনৰ পৰা আৰম্ভ হৈ ১৯ আগষ্টত সামৰণি পৰিব। শ্ৰী অমৰনাথ মন্দিৰ পৰিষদে ঘোষণা কৰিছে যে, ৫২ দিনীয়া এই তীৰ্থ যাত্ৰাৰ পঞ্জীয়ন আজিৰে পৰা মুকলি কৰা হৈছে। বাৰ্ষিক অমৰনাথ যাত্ৰা দুটা পথেৰে কৰিব পাৰিব। এই পথ দুটা হ'ল- অনন্তনাগ জিলাৰ পৰম্পৰাগত ৪৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ নুনৱান-পেহেলগাম পথ আৰু গান্দেৰবাল জিলাৰ ১৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ বালতাল পথ।

হিমবাহ আৰু বৰফেৰে আগুৰি থকা অনন্তনাগ জিলাৰ লিড্ডাৰ উপত্যকাত অৱস্থিত আৰু বছৰজুৰি বৰফেৰে আবৃত হৈ থকা অমৰনাথ গুহালৈ এয়া হৈছে হিন্দু তীৰ্থ যাত্ৰীসকলৰ বাবে বাৰ্ষিক তীৰ্থ যাত্ৰা। অসমৰনাথ যাত্ৰা ভক্তসকলৰ বাবে অন্যতম কঠিন আৰু প্ৰত্যাহ্বানমূলক যাত্ৰা। এই তীৰ্থস্থান ভগৱান শিৱৰ বাসস্থান বুলি বিশ্বাস কৰা হয়। প্ৰতি বছৰে হাজাৰ হাজাৰ ভক্তই ভগৱান শিৱৰ আশীৰ্বাদ ল'বলৈ অমৰনাথ গুহালৈ যায়। বাৰ্ষিক অমৰনাথ যাত্ৰা শাওণ মাহৰ নিৰ্দিষ্ট দিনত পেহেলগাম আৰু বালতালৰ পৰা আৰম্ভ হয়। এই বছৰৰ অমৰনাথ যাত্ৰা নিৰ্ধাৰিত দিনত আৰম্ভ হ'ব আৰু ভক্তসকলে অমৰনাথ যাত্ৰাৰ অফিচিয়েল ৱেবচাইটত এই যাত্ৰাৰ পঞ্জীয়ন প্ৰ-পত্ৰ আৰু চিকিৎসা প্ৰপত্ৰ পূৰ্ণ কৰিব পাৰিব।

ooooooo

সেনা বাহিনীৰ মুৰব্বী জেনেৰেল মনোজ পাণ্ডে আজিৰে পৰা চাৰি দিনীয়া ভ্ৰমণসূচীলৈ উজবেকিস্তানলৈ ৰাওনা হৈছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে কৈছে যে এই ভ্ৰমণসূচীৰ মূল লক্ষ্য হৈছে দুয়োখন ৰাষ্ট্ৰৰ মাজৰ পাৰস্পৰিক বুজাবুজি আৰু দ্বিপাক্ষিক প্ৰতিৰক্ষা সহযোগিতা শক্তিশালী কৰা। তেওঁ উজবেকিস্তানৰ প্ৰতিৰক্ষা বিভাগৰ শীৰ্ষ নেতৃবৰ্গৰ সৈতেও বৈঠকত মিলিত হ'ব। এই ভ্ৰমণৰ দ্বাৰা দুয়োখন ৰাষ্ট্ৰৰ মাজৰ সহযোগিতাৰ নতুন পথ অন্বেষণ কৰা হ'ব বুলিও প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰে।

ooooooo

অৰুণাচল প্ৰদেশৰ নিছি জনজাতিৰ আজি লংতে উৎসৱ পালন কৰিছে। লংতে উৎসৱ হৈছে নিছি জনজাতিসকলৰ কৃষিৰ লগত জড়িত আটাইতকৈ পুৰণি উৎসৱ। এই উৎসৱে নতুন ঋতুৰ আগমনৰ সংকেত দিয়ে যাৰ পাছত খেতি-পথাৰসমূহত গুটী সিঁচা আৰম্ভ হয়। প্ৰাচীন কালৰে পৰা চলি অহা এই উৎসৱে মানৱ সমাজক অশুভ শক্তিৰ পৰা ৰক্ষা কৰাৰ বিষয়ে স্মৰণ কৰোৱাই। অৰুণাচল প্ৰদেশৰ ৰাজ্যপাল অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল কে টি পাটনায়কে এই উৎসৱ উপলক্ষে ৰাজ্যখনৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাজ্যপালগৰাকীয়ে কয় যে, লংতে উৎসৱে জনসাধাৰণৰ সু-স্বাস্থ্য

আৰু অনাগত দিনসমূহত জীৱ-জন্তু তথা পশুধনসমূহৰ উৰ্বৰতা কামনা কৰে। মানৱ জাতিৰ শান্তি-সমৃদ্ধি আৰু প্ৰগতিৰ বাবে উৎসৱ পালন কৰা হয় বুলি তেওঁ কয়।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰ, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব।

কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত কালি কলকাতা নাইট ৰাইডাৰ্ছে, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৮ উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ১৬১ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ নিকোলাছ পুৰানে ৪৫ ৰান কৰাৰ লগতে কে এল ৰাহুলে ৩৯ ৰান কৰে। প্ৰত্যুত্তৰত কলকাতা নাইট ৰাইডাৰ্ছে ১৫ অভাৰ ৪টা বলতে বিজয় লক্ষ্যত উপনীত হয়। দলটোৰ হৈ ফিলিপ ছল্টে ৮৯ ৰান কৰি আউট নোহোৱাকৈ থাকে। ছল্টক প্লেয়াৰ অৱ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

ইপিনে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন খেলত চেন্নাই ছুপাৰ কিংছে মুম্বাই ইণ্ডিয়ানছক ২০ ৰানত পৰাজিত কৰে। মুম্বাই ইণ্ডিয়ানছে ২০৬ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৮৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ ৰোহিত শৰ্মাই ১০৫ ৰান কৰি অপৰাজিত হৈ থাকে। চেন্নাইৰ মেথিছা পাথিৰানাই ৪টা উইকেট দখল কৰাৰ লগতে তুষাৰ দেশপাণ্ডে আৰু মুস্তাফিজুৰ ৰহমানে এটাকৈ উইকেট লাভ কৰে। আনহাতে চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত অভাৰত ৪টা উইকেট হেৰুৱাই ২০৬ ৰান সংগ্ৰহ কৰে। চেন্নাইৰ হৈ ৰুতুৰাজ গাইকোৱাড়ে ৬৯, শিৱম ডুবে ৬৬ আৰু ৰাশ্বিন ৰবীন্দ্ৰই ২১ ৰান কৰে। মেথিছা পাথিৰানাক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়। ইয়াৰ পূৰ্বে মুম্বাই ইণ্ডিয়ানছে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়।

০০০০০০০

**ঃ সমাপ্ত ঃ**